...পৰিবৰ্তন।

u = ৰুচি আৰু অগ্ৰাধিকাৰৰ ওপৰত প্ৰভাৱ পেলোৱা সূচক সমূহ।

উল্লেখিত সমীকৰণটোত মুদ্ৰাৰ চাহিদাৰ ওপৰত সামানুপাতিক হাৰত প্ৰভাৱ পেলোৱা কাৰক দুটা হ'ল, মুঠ সম্পদ বা আয় আৰু মূল্যস্তৰ। আয় বা মূল্যস্তৰ যি হাৰত পৰিবৰ্তন হয় মুদ্ৰাৰ চাহিদাও একে হাৰত পৰিবৰ্তন হয়। ধৰাহ'ল আয় আৰু মূল্যস্তৰৰ পৰিবৰ্তনৰ হাৰ λ। এই ক্ষেত্ৰত মুদ্ৰা চাহিদাৰ ফলনটো হ'ব,

$\lambda M = f(\lambda Y, w, \lambda P, rb, re, rc, u)$ ..................... (ii)

যদি, $\lambda = 1/P$

তেতিয়া, $M/P = f(Y/P, w, rb, rc, u)$ ........... (iii)

ইয়াত (iii) নং সমীকৰণে প্ৰকৃত ৰূপত মুদ্ৰাৰ চাহিদা প্ৰকাশ কৰিছে। ইয়াত দেখুওৱা হৈছে যে আয় বৃদ্ধি পালে নগদ সংৰক্ষিত মুদ্ৰাৰ পৰিমাণ বৃদ্ধি হয়। সেয়েহে স্থায়ী ভোগ্য সামগ্ৰীৰ দৰে মুদ্ৰা এক প্ৰকাৰৰ বিলাস সামগ্ৰী। জীৱন ধাৰণৰ মান উন্নত হোৱাৰ লগে লগে বিলাস সামগ্ৰীৰ ভোগ বঢ়াৰ দৰে সংৰক্ষিত মুদ্ৰাৰ পৰিমানো বাঢ়ে। অৱশ্যে সংৰক্ষিত এই মুদ্ৰাৰ পৰিমাণ নিৰ্ভৰ কৰে স্থায়ী আয়ৰ ওপৰত, প্ৰচলিত বা বৰ্তমানৰ আয়ৰ ওপৰত নহয়।

বিভিন্ন সময়ৰ পৰীক্ষালব্ধ আৰু ব্যৱহাৰিক অধ্যয়ন সমূহৰ পৰা মুদ্ৰা চাহিদা ফলন সম্পৰ্কে তলৰ সিদ্ধান্ত সমূহত উপনীত হ'ব পাৰি।

(i) মুদ্ৰাৰ চাহিদা কম বেছি পৰিমাণে স্থিৰে থাকে।

(ii) মুদ্ৰাৰ চাহিদাৰ ওপৰত সুদৰ হাৰৰ প্ৰভাৱ তাৎপৰ্যপূৰ্ণ হ'লেও কিন্তু কম আৰু স্থিৰ।

(iii) অৰ্থনৈতিক সংকোচনৰ সময়ত তাৰল্য ফান্দ পৰিস্থিতি সৃষ্টি হোৱাৰ অভিজ্ঞতা এতিয়ালৈকে হোৱা নাই।

(iv) দীৰ্ঘম্যাদী বস্তুৰ ক্ষেত্ৰত লোকচানৰ আশংকাই মুদ্ৰাৰ চাহিদাৰ ওপৰত প্ৰভাৱ পেলোৱা পৰিস্থিতি সৃষ্টি হোৱা নাই।

(v) মুদ্ৰাৰ চাহিদা প্ৰভাৱিত হয় স্থায়ী আয়ৰ দ্বাৰা, বৰ্তমানৰ আয়ৰ দ্বাৰা নহয়।

(vi) মূল্যস্তৰ পৰিবৰ্তনে সামানুপাতিক হাৰত মুদ্ৰাৰ চাহিদাৰ ওপৰত প্ৰভাৱ পেলায়।

## 5. কেইনছৰ তাৰল্যপ্ৰীতি ফান্দ আৰু ইয়াৰ প্ৰয়োগিক দিশ (The keynesian Liquidity trap and its implications) ঃ

মুদ্ৰাৰ ব্যৱসায়িক লাভজনিত চাহিদা ৰেখা ($L_2$) এটা উল্লেখযোগ্য বৈশিষ্ট হ'ল যদি প্ৰচলিত সুদৰ হাৰ অতি নিম্ন পৰ্য্যায়লৈ হ্ৰাস পায় (ধৰা হ'ল (Oi*), তেতিয়া $L_2$ ৰেখা সম্পূৰ্ণ স্থিতিস্থাপক আকৃতিৰ হয়। ইয়াৰ তাৎপৰ্য্য হ'ল এনে অতি নিম্ন সুদৰ হাৰত, মানুহৰ ধন ধাৰলৈ দিয়াৰ আসক্তি নাইকিয়া হয় আৰু সমুদায় মুদ্ৰা নিজৰ হাতত ৰাখে ( চিত্ৰ 3.G)